# 2022

# ASSAMESE

## ( Major )

Paper : 4.1

( Non-CBCS )

*Full Marks* : 75

*Time* : 3 hours

Anandaram Dhekial Phukan College Library * Nagaon : Assam * Acc. No. ........ Date........

*The figures in the margin indicate full marks for the questions*

১। *এটা* শব্দ বা *এটা* বাক্যত উত্তৰ দিয়া : ১×১০=১০

(ক) ইংৰাজী ভাষাৰ মাধ্যমত ৰচিত অসমীয়া ভাষাৰ প্ৰথমখন ব্যাকৰণৰ নাম কি?

(খ) *Appendix V Sketch of Assamese Grammar*ৰ ৰচক কোন?

(গ) হেমচন্দ্ৰ বৰুৱা ৰচিত 'অসমীয়া ব্যাকৰণ'খনৰ প্ৰথম নাম কি আছিল?

(ঘ) দেৱানন্দ ভৰালিয়ে ৰচনা কৰা 'অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ' গ্ৰন্থখন প্ৰথমে কোন চনত প্ৰকাশ হৈছিল?

(ঙ) অসমীয়া ভাষাত স্পৰ্শ অল্পপ্ৰাণ ধ্বনিৰ সংখ্যা কেইটা?

(চ) অসমীয়া ভাষাৰ একমাত্ৰ উষ্মকণ্ঠীয় ঘোষ ধ্বনি কোনটো?

(ছ) বাক্যতত্ত্বৰ ইংৰাজী প্ৰতিশব্দটো কি?

(জ) ভাষাৰ ন্যূনতম অৰ্থযুক্ত গোটটোৰ নাম কি?

(ঝ) অসমীয়া ভাষাৰ বচন ব্যাকৰণগত বিষয় হয়নে?

(ঞ) ধাতু প্ৰকৃতিৰ পিছত যোগ হোৱা প্ৰত্যয়ক কি প্ৰত্যয় বোলা হয়?

Anandaram Dhekial Phookan College Library * Nagaon : Assam * Acc. No. ........ Date........

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) সত্যনাথ বৰাই ৰচনা কৰা ব্যাকৰণখনৰ নাম কি? এই ব্যাকৰণখন কোন চনত প্ৰকাশ হৈছিল?

(খ) অসমীয়া ভাষাৰ উচ্চ-সংবৃত (High closed) ধ্বনি দুটা কি কি?

(গ) বাক্যৰ এফালে কৰ্তা আৰু আনফালে কাৰকৰ পদ সম্বন্ধিতে ক্ৰিয়াপদৰ অৱস্থানগত বিভাগ দুটাক কি বোলা হয়?

(ঘ) অসমীয়া ভাষাত পুংলিংগবাচক প্ৰত্যয়ৰ সংযোগত গঠন হোৱা দুটা পুংলিংগবাচক শব্দৰ উদাহৰণ দিয়া।

(ঙ) অসমীয়া ভাষাৰ কোন দুটা কাৰকত শূন্য বিভক্তি যোগ হয়?





৩। তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) নিৰ্দেশমূলক (Normative) বা পৰম্পৰাগত (Traditional) ব্যাকৰণৰ সীমাবদ্ধতা সম্পৰ্কে চমুকৈ লিখা।

(খ) অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব সম্পৰ্কে এটি চমু টোকা যুগুত কৰা।

(গ) অসমীয়া ভাষাৰ লিংগ ব্যাকৰণগত বিষয় হয় নে নহয় চমুকৈ আলোচনা কৰা।

(ঘ) বাক্যতত্ত্বত সুৰলহৰৰ ভূমিকা বৰ্ণনা কৰা।

(ঙ) অসমীয়া ভাষাৰ স্ত্ৰী প্ৰত্যয়কেইটা উল্লেখ কৰি প্ৰত্যেকৰে সংযোগত লিংগ সাধন কৰি দেখুওৱা।

৪। (ক) ব্যাকৰণৰ সংজ্ঞা দাঙি ধৰি অসমীয়া ব্যাকৰণৰ ইতিহাস সংক্ষেপে ব্যক্ত কৰা। ২+৮=১০

*অথবা*

(খ) 'ব্যাকৰণ' শব্দৰ ব্যুৎপত্তিগত অৰ্থ বিশ্লেষণ কৰি আধুনিক ব্যাকৰণৰ প্ৰকৃতি সম্পৰ্কে বহলাই আলোচনা কৰা। ২+৮=১০

৫। (ক) বিশিষ্ট ধ্বনি বা বৰ্ণ বুলিলে কি বুজা? উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি-কেইটাৰ এখন তালিকা প্ৰস্তুত কৰা। ২+৮=১০

*অথবা*

(খ) স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ পাৰ্থক্য বিচাৰ কৰি ওঁঠৰ আকৃতি অনুসৰি অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহক কি কি ভাগত ভগাব পাৰি, উদাহৰণসহ দেখুৱাই দিয়া। ৫+৫=১০

৬। (ক) বাক্যতত্ত্ব কাক বোলে? অসমীয়া ভাষাৰ বাক্যতত্ত্ব সম্পৰ্কে এক নাতিদীৰ্ঘ আলোচনা প্ৰস্তুত কৰা। ২+৮=১০

*অথবা*

(খ) মুখ্য আৰু গৌণ ধাতু কাক বোলে? গৌণ ধাতুৰ প্ৰকাৰসমূহ উল্লেখ কৰি এইবোৰৰ প্ৰত্যেকৰে গঠন-পদ্ধতি উদাহৰণসহ আলোচনা কৰা। ২+২+৬=১০

৭। (ক) অসমীয়া ভাষাত কাৰক কেইপ্ৰকাৰৰ আৰু কি কি? প্ৰত্যেকবিধ কাৰকৰ বিষয়ে উদাহৰণসহ আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) প্ৰত্যয় কাক বোলে? অসমীয়া ভাষাৰ প্ৰত্যয়ৰ শ্ৰেণীবিভাগ কৰি প্ৰতিটো শ্ৰেণীৰ অন্তৰ্গত প্ৰত্যয়ৰ প্ৰয়োগৰ নিদৰ্শন দাঙি ধৰা। ২+৮=১০

★★★

Anandaram Dhekial Phookan College Library * Nagaon : Assam *
Acc. No. ..........
Date..........